জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮৪/২০২২**

# কেন্দ্ৰীয় মন্ত্ৰী মুক্তাৰ আব্বাছ নাকভিৰ উপস্থিতিত খানাপাৰাত ৩৮ সংখ্যক হুনাৰ হাট উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ‘ভোকেল ফৰ লোকেল’ৰ এখন মঞ্চ প্ৰদানৰ লগতে এখন আত্মনিৰ্ভৰ ভাৰতবৰ্ষ গঢ়াৰ দিশত হুনাৰ হাটে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১২ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী মুক্তাৰ আব্বাছ নাকভিৰ উপস্থিতিত খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত হুনাৰ হাটৰ ৩৮ সংখ্যক সংস্কৰণটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই হুনাৰ হাটৰ জৰিয়তে আমাৰ হস্তশিল্প, ৰন্ধন প্ৰণালী তথা সংস্কৃতি প্ৰদৰ্শনৰ সুযোগ প্ৰদান কৰাৰ লগতে এই দিশত তেওঁলোকক আগুৱাই নি সৰ্বভাৰতীয় পৰ্যায়ত প্ৰচাৰ কৰাৰ দিশত এক সম্ভাৱনাপূৰ্ণ মঞ্চ হিচাপে পৰিগণিত হ’ব। তেওঁ কয় যে এই পদক্ষেপৰ জৰিয়তে ‘ভোকেল ফৰ লোকেল’ৰ এখন মঞ্চ তৈয়াৰ হোৱাৰ লগতে আৰু আমাৰ উৎপাদিত সামগ্ৰীৰ গৰিমা বৃদ্ধি পাব তথা আত্মনিৰ্ভৰ ভাৰতবৰ্ষ গঢ়াৰ দিশত আৰু এখোজ আগবঢ়াৰ দিশত ই সহায়ক হৈ উঠিব। এই অনুষ্ঠান গুৱাহাটী মহানগৰীত আয়োজন কৰাৰ বাবে ৰাষ্ট্ৰীয় সংখ্যালঘু উন্নয়ন আৰু বিত্তীয় নিগমক ধন্যবাদ জ্ঞাপন কৰি তেওঁ কয় যে বিগত কেইবাবছৰ ধৰি আয়োজন কৰি অহা এই হুনাৰ হাটে ৮ লাখৰো অধিক শিল্পী তথা কাৰুশিল্পীক ‘সন্মানৰ সৈতে বিকাশ’ৰ এক মঞ্চ প্ৰদান কৰিছে। তেওঁ কয় যে ক্ৰমশঃ ব্যাপক ৰূপত আয়োজিত হোৱা এই হুনাৰ হাটে পৰৱৰ্তী বৰ্ষসমূহত দেশৰ ২০ লাখৰো অধিক শিল্পী আৰু কাৰুশিল্পীৰ প্ৰয়োজনীয়তা পূৰাবলৈ সক্ষম হ’ব।

ড° শৰ্মাই কয় যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বৰ্তমানৰ গোলকীয় প্ৰতিযোগিতাত সমানে খোজ পেলাব পৰাকৈ আমাৰ দেশীয় কলা আৰু কাৰুশিল্পৰ ঐতিহ্যমণ্ডিত ধাৰাটোৰ সুৰক্ষা আৰু প্ৰচাৰৰ বাবে নিৰৱিচ্ছিন্নভাৱে কাম কৰি আহিছে। যুৱ প্ৰজন্মৰ শিল্পীসকলে যাতে পৰম্পৰাগত শিল্পীসত্বাৰ সৈতে সংযুক্ত হৈ থকাৰ লগতে এই পৰম্পৰাগত কলা আৰু কাৰুশিল্পৰ জৰিয়তে বিত্তীয় সাহায্য লাভ তথা আত্মসংস্থাপনৰ সুযোগ লাভ কৰিব পাৰে তাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে এই শিল্পৰ বিকাশ সাধনৰ দিশত কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে।

ক’ভিড-১৯ অতিমাৰীৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতবাসীৰ উদ্ভাৱনীমূলক দক্ষতা আৰু উদ্যমিতাৰ সহায়ত দেশে এই কঠিন পৰিস্থিতি অতিক্ৰম কৰিববলৈ সক্ষম হৈছিল। সেই সময়ত

আমাৰ উদ্যোগীসকলে এন-৯৫ মাস্ক, পি পি ই কিট আৰু ভেণ্টিলেটৰ জৰুৰীকালীন ভিত্তিত প্ৰস্তুত কৰিবলৈ সমৰ্থ হৈছিল, যিসমূহে কেৱল ঘৰুৱা চাহিদা পূৰণ কৰাই নহয়, বিশ্ব বজাৰলৈও ৰপ্তানি হৈছিল। এই পদক্ষেপে নিজস্ব সংস্কৃতি আৰু ঐতিহ্যৰ আধাৰত শক্তিশালী পদক্ষেপেৰে দেশখনক স্বাৱলম্বিতাৰ দিশলৈ ধাৱমান হোৱাৰ ইংগিত প্ৰদান কৰিছিল বুলি তেওঁ উল্লেখ কৰে।

উল্লেখযোগ্য যে ১১ মাৰ্চৰ পৰা ২০ মাৰ্চলৈকে গুৱাহাটীত আয়োজিত ৩৮ সংখ্যক হুনাৰ হাটত দেশৰ ২৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। এই হাটত প্ৰায় ৩০০ খন বিপণীত দেশৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন হস্তশিল্পজাত সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

অনুষ্ঠানত কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী মুক্তাৰ আব্বাছ নাকভিয়েও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত সংখ্যালঘু উন্নয়ন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, সাংসদ কুইন ওজা আৰু ভুৱনেশ্বৰ কলিতা, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ লগতে বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**সুঃদঃ / প্ৰঃকুঃবঃ**
**১২-০৩-২০২২**